নির্ভী
দৈনিক
e-pape
ংখ্যা ৭৯ ● বৃহস্পতিবাৰ ● ২০ জেঠ ১৯৩৭ শক RNI No. ASSASS/2001/4531 THE
ৰ্ভীক সাংবাদিকতাৰ প্ৰতীক
জনমভূমি
er : www.dainikjanambhumi.co.in.
DAINIK JANAMBHUMI Guwahati Thursday June 4, 2015 ● ১৪ পৃষ্ঠা ● গুৱাহাটী, যোৰহাট আৰু তিনিচু

# আই চি এছ আইৰ উদ্যোগত কেপিটেল মাৰ্কেট্ছ সপ্তাহ

**গুৱাহাটী**, ৩ জুন ঃ ইন্‌ষ্টিটিউট অব্ কোম্পানী ছেক্ৰেটেৰিজ অব্ ইণ্ডিয়া (আই চি এছ আই)ৰ উদ্যোগত কেপিটেল মাৰ্কেট্‌ছৰ ওপৰত বিনিয়োগকাৰীসকলৰ মাজত সজাগতা বৃদ্ধি আৰু উৎকৃষ্ট প্ৰশাসনিক ক্ৰিয়াকলাপক উৎসাহ যোগোৱাৰ উদ্দেশ্যে ২৫-৩১ মে', ২০১৫লৈ কেপিটেল মাৰ্কেট্‌ছ ঃ দি ইঞ্জিন ফৰ ইক'নমিক গ্ৰ'থ শীৰ্ষকত আই চি এছ আই কেপিটেল মাৰ্কেট্‌ছ সপ্তাহ অনুষ্ঠিত কৰা হয়। এই উদ্দেশ্যেৰে গুৱাহাটীতো এক মেগা কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। এই উপলক্ষে আয়োজিত অনুষ্ঠানত আই চি এছ আইৰ অধ্যক্ষ চি এছ অতুল মেহতাই ভাষণ প্ৰদান কৰি কয় যে কোম্পানী ছেক্ৰেটেৰীসকলে এক সময়সীমাৰ ভিতৰত বৃত্তিগত বিকাশ কৰিবলগীয়া হয়। মেহতাই কয় যে ছেবী (এছ ই বি আই) এক্ট, ১৯৯২ৰ অন্তৰ্গত ছেবীৰ দ্বাৰা জাৰি কৰা বিভিন্ন সুৰক্ষামূলক আইন যেনে ছিকিউৰিটিজ কণ্ট্ৰল (ৰেগুলেশ্যন) এক্ট, ১৯৫৬, ডিপ'জিটৰ্ছ এক্ট, ১৯৯৬, ৰেগুলেশ্যন্স আৰু গাইডলাইন তথা ষ্টক এক্সেঞ্জৰ লিৰিটেংগ এগ্ৰিমেণ্ট, আই ডি আৰসমূহ অনুসৰি কোম্পানী ছেক্ৰেটেৰীসকলক কোম্পানীসমূহৰ সত্যাপন আৰু প্ৰমাণ-পত্ৰ দিয়াৰ স্বীকৃতি প্ৰদান কৰিছে। আই চি এছ ইৰ অধ্যক্ষ মেহতাই কয় যে ইন্‌ষ্টিটিউটৰ বাবে জুলাই, ২০১৫ৰ পৰা ঐতিহাসিক ক্ষণ আৰম্ভ হ'ব। ই বিশ্বৰ প্ৰথম এনে সংস্থান হ'ব যি ছেক্ৰেটেৰিয়েল ষ্টেণ্ডাৰ্ড প্ৰদান কৰাৰ ক্ষমতা লাভ কৰিব। ইয়াৰ লগে লগে ভাৰতৰ প্ৰায় আঠ লাখ কোম্পানীক কোম্পানী এক্ট, ২০১৩ অনুসৰি ছেক্ৰেটেৰিয়েল ষ্টেণ্ডাৰ্ডৰ নিৰীক্ষণ কৰাৰ অধিকাৰ লাভ কৰিব।